# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-05-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১।  লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে কালি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে।

২।  লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে পঞ্চম পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহৰ প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

৩।  ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই অত্যাধুনিক যোজ্য প্ৰযুক্তি ব্যৱহাৰ কৰি তৰল ৰকেট ইঞ্জিনৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰি নতুন ইতিহাস ৰচনা কৰিছে।

*আৰু*

৪।  কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা কলকাতাত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানত পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে কালি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। এই পৰ্যায়ত কাইলৈ দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন আসন আৰু ওড়িশাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

প্ৰচাৰ অভিযানৰ অন্তিম দিনটোত সকলো ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ওড়িশাৰ বৰগড়ত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয় যে, কংগ্ৰেছে দেশৰ সংবিধান সলনি কৰিব বিচাৰে। কংগ্ৰেছে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীক প্ৰদান কৰা সংৰক্ষণ বন্ধ কৰি দলৰ ভোটবেংকৰূপে পৰিচিত লোকসমূহক প্ৰদান কৰিব বিচাৰে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে তেওঁ কংগ্ৰেছ দলক দেশৰ সংবিধান সলনি কৰাৰ অথবা অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীক প্ৰদান কৰা সংৰক্ষণৰ সুবিধা বন্ধ কৰিব নিদিয়ে আৰু এয়া মোদীৰ নিশ্চয়তা। কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীৰ নাম উল্লেখ নকৰাকৈ প্ৰধানমন্ত্ৰীয়ে কয় যে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে এবাৰ তদানীন্তন প্ৰধানমন্ত্ৰী মনমোহন সিং চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰতিলিপি ফালি পেলাইছিল আৰু ইয়াৰ পৰা নেতাগৰাকীয়ে  যে, সংবিধানত বিশ্বাস নকৰে সেয়া স্পষ্ট হৈ পৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী আৰু বিজেডিৰ মুৰব্বী নবীন পাটনায়কক সমালোচনা কৰি শ্ৰীমোদীয়ে কয় যে, ওড়িশা চৰকাৰ বাহিৰৰ

লোকৰ দ্বাৰা পৰিচালিত হৈ আহিছে। শ্ৰীপাটনায়কক বাহিৰৰ ৰাস্তা দেখুৱাৰ সময় আহি পৰিছে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে। পাছত শ্ৰীমোদীয়ে ঝাৰখণ্ডৰ চতৰা লোকসভা সমষ্টিৰ চিমৰিয়াত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। তেওঁ কয় যে, এইবাৰৰ নিৰ্বাচন শিশুৰ ভৱিষ্যত সুনিশ্চিত কৰা নিৰ্বাচন। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰে দুখীয়া লোকৰ দুৰ্দশাৰ কথা বিবেচনা কৰি আঁচনি প্ৰস্তুত কৰি আহিছে।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে বালাংগিৰত এখন নিৰ্বাচনী সভাত ভাগ লয়। শ্ৰীমোদীয়ে ভাষণ প্ৰসংগত প্ৰায় ২৫ বছৰীয়া শাসনকালত খনিজ সম্পদত চহকী ওড়িশাৰ উন্নয়নৰ বাবে একো নকৰাৰ বাবে আৰু ৰাজ্যখনৰ জনসাধাৰণৰ দৰিদ্ৰতা দূৰ নকৰাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা বি জে ডিৰ মুৰব্বী নবীন পাটনায়কক তীব্ৰ সমালোচনা কৰে। ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বিহাৰৰ বেগুচৰাইত প্ৰচাৰ চলায়। প্ৰচাৰৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ডঃ শৰ্মাই কয় যে, বিজেপিৰ শক্তিশালী নেতৃত্বৰ অধীনত অহা কেইবছৰমানৰ ভিতৰত পাক অধিকৃত কাশ্মীৰক পুনৰ ভাৰতৰ সৈতে চামিল কৰা হ'ব। সন্ত্ৰাসবাদী সংগঠনৰ বিৰুদ্ধে চলোৱা চাৰ্জিকেল ষ্ট্ৰাইকক লৈ  প্ৰশ্ন কৰাৰ বাবে কংগ্ৰেছ দলক সমালোচনা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, পাক অধিকৃত কাশ্মীৰত ভাৰতৰ প্ৰতি সমৰ্থন বৃদ্ধি পাইছে। তেওঁ কয় যে, অঞ্চলটোৰ জনসাধাৰণে সম্প্ৰতি ভাৰতৰ পতাকা উত্তোলন কৰিবলৈ লৈছে।

ইফালে, আৰ জে ডিৰ জ্যেষ্ঠ নেতা তেজশ্বীপ্ৰসাদ যাদৱে দৰভাংগাত আলিনগৰত দলৰ প্ৰাৰ্থী ললিত কুমাৰ যাদৱৰ হৈ প্ৰচাৰ চলাই বিজেপিয়ে ৰাজনৈতিক লাভালাভৰ বাবে সংৰক্ষণ ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ আৰু দেশৰ সংবিধান দুৰ্বল কৰাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে। বিহাৰৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, আই এন ডি আই মিত্ৰজোঁট  ক্ষমতালৈ আহিলে মিত্ৰজোঁটটোৱে প্ৰতি বছৰে ১ কোটি চৰকাৰী চাকৰি প্ৰদান কৰিব।

আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে কালি মোদী চৰকাৰে ৰাজনৈতিক প্ৰতিশোধৰ বাবে বিধি বলবৎকাৰী সঞ্চালকালয় আৰু চি বি আইৰ লেখিয়া কেন্দ্ৰীয় সংস্থাসমূহ ব্যৱহাৰ কৰি ৰাজনৈতিক প্ৰতিদ্বন্দিসমূহক লক্ষ্য কৰি লৈছে বুলি অভিযোগ উত্থাপন কৰে। পাটনাত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীখাৰ্গেই কয় যে, লোকসভা নিৰ্বাচন প্ৰভাৱিত কৰাৰ উদ্দেশ্যে আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকলক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰ কৰি এন ডি এ চৰকাৰে আই এন ডি আই মিত্ৰজোঁটৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰীক কাৰাগাৰলৈ প্ৰেৰণ কৰিছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ মুদ্ৰাস্ফীতি, দৰিদ্ৰতা আৰু কৰ্মসংস্থাপনহীনতাৰ দৰে বিষয়সমূহৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মৌনতাক লৈও প্ৰশ্ন উত্থাপন কৰে।

ইপিনে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী বাদ্ৰাই কালি উত্তৰ মহাৰাষ্ট্ৰৰ জনজাতীয় অধ্যুষিত নন্দুৰবাৰ জিলাত দলৰ হকে প্ৰচাৰ চলায়। তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰসমূহে জনজাতীয় সম্প্ৰদায়ৰ ৰক্ষাৰ বাবে অনুসূচীত জাতি-অনুসূচীত জনজাতি উপ পৰিকল্পনা, অনুসূচীত জাতি-জনজাতি আতিসহ্য প্ৰতিৰোধী আইন, পেছা আইন, পঞ্চায়তীৰাজ আইন, বন অধিকাৰ আইন আৰু এম জি এনৰেগা আইন প্ৰনয়ণ কৰিছে। তেওঁ লগতে মণিপুৰৰ হিংসাত্মক ঘটনাক লৈ এন ডি এ চৰকাৰক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, নৰেন্দ্ৰ মোদী চৰকাৰে হাথৰছৰ দৰে ঘটনাক লৈ আৰু পদক বিজয়ী মহিলা মল্লযোদ্ধাসকলৰ দাবীক লৈ মৌনতা অৱলম্বন কৰি আহিছে।

ooooo

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে এতিয়া পঞ্চম পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহৰ প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কালি পশ্চিমবংগত উপস্থিত হয়। নেতাগৰাকীয়ে আজি দলীয় প্ৰাৰ্থীৰ হৈ চাৰিখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ইপিনে, বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে উত্তৰ মুম্বাইত আন্তঃগাঁথনি আৰু স্বাস্থ্যসেৱা উন্নত কৰা বিষয়ত গুৰুত্ব আৰোপ কৰি জনসাধাৰণক আধুনিক সা-সুবিধা প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শ্ৰীগোৱেলে কালি মুম্বাইৰ কান্দিৱালিৰ গৌতম নগৰৰ পৰা আৰম্ভ হোৱা নমো যাত্ৰাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলায়।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ISRO-ই যোজ্য প্ৰযুক্তি ব্যৱহাৰ কৰি তৰল ৰকেট ইঞ্জিনৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰি নতুন ইতিহাস ৰচনা কৰিছে। তামিলনাডুৰ মহেন্দ্ৰগিৰিত থকা ISRO-ৰ Propulsion Complex অৰ্থাৎ প্ৰনোদন চৌহদত শুকুৰবাৰে এই পৰীক্ষা সম্পন্ন কৰা হয়। নতুনকৈ বিকশাই তোলা এই PS4 ইঞ্জিনত যন্ত্ৰাশৰ সংখ্যা ১৪ৰ পৰা ১ লৈ হ্ৰাস পাইছে আৰু  জ্বালাই বা ৱেল্ডিঙৰ জৰিয়তে দিয়া ১৯টা জোৰা নোহোৱা কৰা হৈছে। ইয়াৰ ফলত প্ৰতিটো ইঞ্জিনৰ বাবদ ব্যৱহাৰ কৰা কেঁচা সামগ্ৰী ৰাহি হ'ব। ইঞ্জিনটোত ব্যৱহৃত ধাতু পাউদাৰৰ পৰিমাণ পূৰ্বৰ ৫৫৬ কিলোগ্ৰামৰ পৰা ১৩ দশমিক ৭ কিলোগ্ৰামলৈ হ্ৰাস পাব আৰু মুঠ উৎপাদন সময়ো ৬০ শতাংশ ৰাহি হ'ব।

নতুন ইঞ্জিনটো PSLV উৎক্ষেপন যানৰ চতুৰ্থ পৰ্যায় আৰু PSLV উৎক্ষেপন যানৰ প্ৰথম পৰ্যায়ৰ প্ৰতিক্ৰিয়া নিয়ন্ত্ৰণ প্ৰণালীত ব্যৱহাৰ কৰা হ'ব। ISRO-ই নিয়মীয়া PSLV কাৰ্যসূচীৰ বাবে এই ইঞ্জিন ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিছে।

ooooo

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা কলকাতাত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানত পৰাস্ত কৰে। বৰ্ষাবিঘ্নিত খেলখনত কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ভেংকটেছ আয়াৰৰ ২১টা বলত কৰা ৪২ ৰানৰ সহায়ত ১৬ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৭ ৰান কৰে। মুম্বাইৰ হৈ যশপ্ৰীত বুমৰাহ আৰু পীয়ুষ চাৱলাই দুটাকৈ উইকেট দখল কৰে। বৰষুণৰ বাবে খেলখন আৰম্ভ হোৱাত বিলম্ব ঘটে আৰু খেলখন ১৬ অভাৰলৈ হ্ৰাস কৰা হয়। প্ৰত্যুত্তৰত মুম্বাইৰ ইণ্ডিয়ানছ দলে ১৬ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হৈ অপেনাৰ ঈশান কিষানে ২২টা বলত ৪০ ৰান কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ হৰ্ষিত ৰাণা, বৰুণ চক্ৰৱৰ্তী আৰু আন্দ্ৰে ৰাছেলে দুটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। চেন্নাইৰ এম. এ. চিদাম্বৰত ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীখখন খেলত দেলহি কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

ooooo

অমন শ্বেহৰাৱট, ২০২৪ চনৰ পেৰিছ অলিম্পিকৰ বাবে কোটাত স্থান লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় পুৰুষ মল্লযোদ্ধা হিচাপে বিবেচিত হৈছে। শ্বেহৰাৱটে কালি তুৰস্কৰ ইস্তানবুলত অনুষ্ঠিত বিশ্ব মল্লযুঁজ অলিম্পিক যোগ্যতা নিৰ্ণায়ক প্ৰতিযোগিতাৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ছেমিফাইনেলত কোৰিয়াৰ চংছুঙক ১২-২ ফলাফলত পৰাস্ত কৰি পেৰিছ অলিম্পিকৰ বাবে দেশৰ হৈ ষষ্ঠটো কোটা লাভ কৰে। উল্লেখযোগ্য যে, ৫ গৰাকীকৈ মহিলা মল্লযোদ্ধাই ইতিমধ্যে পেৰিছ অলিম্পিকৰ বাবে কোটা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

ooooo

**সমাপ্ত**